# 3 (Sem–4/CBCS) PHI HG/RC 1

## 2022

## PHILOSOPHY

Paper : PHI-HG/RC–4016

**( Logic )**

( Honours Generic/Regular Course )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**1.** Answer the following as directed (any *ten*) : 1×10=10

নিম্নলিখিতবোৰৰ নিৰ্দেশানুযায়ী উত্তৰ দিয়া (যি কোনো দহটা) :

*(a)* "An argument is merely a collection of propositions." Is it true?

"এটা যুক্তি হ'ল কেৱল কিছুমান বচনৰ সমষ্টি।" এইটো সঁচানে ?

*(b)* On what depends, the validity of an argument?

যুক্তিৰ বৈধতা কিহৰ ওপৰত নিৰ্ভৰ কৰে ?

*(c)* Give an example of class membership proposition.

শ্ৰেণী সদস্যতামূলক বচনৰ এটা উদাহৰণ দিয়া।

*(d)* "A valid argument can never have true premises and a false conclusion."

(Write True or False)

"এটা বৈধ যুক্তিত সত্য আশ্ৰয় বচন আৰু এটা অসত্য সিদ্ধান্ত কেতিয়াও থাকিব নোৱাৰে।"

(সঁচা নে মিছা লিখা)

*(e)* What is the symbolic form of universal negative proposition?

সাৰ্বিক নঞৰ্থক বচনৰ সাংকেতিক চিহ্ন বা প্ৰতীক কি?

*(f)* What is the name of the subject of the conclusion of a syllogism?

ন্যায়ৰ সিদ্ধান্তৰ উদ্দেশ্য পদটোৰ নাম কি?

*(g)* Which is the symbol that indicates the form of a compound proposition in symbolic logic?

প্ৰতীকাত্মক তৰ্কবিজ্ঞানত কোনটো প্ৰতীকে যৌগিক বচন এটাৰ আকাৰ সূচিত কৰে?





*(h)* Does a variable contain a definite meaning?

চল বা পৰিবৰ্তৰ কোনো নিৰ্দিষ্ট অৰ্থ আছেনে?

*(i)* Find out the alternative proposition from the following :

তলত দিয়াবোৰৰ পৰা বৈকল্পিক বচনটো বাছি উলিওৱা :

*(i)* I eat rice or bread.
মই ভাত অথবা ৰুটি খাম।

*(ii)* Either he or I shall go.
তেওঁ নতুবা মই যাম।

*(iii)* He is alive or dead.
তেওঁ জীৱিত অথবা মৃত।

*(j)* According to the rules of syllogism, if one premise is negative, then conclusion will be _____.

(Fill up the blank)

ন্যায় অনুমানৰ নিয়ম অনুসৰি, যদি এটা আশ্ৰয় বচন নঞৰ্থক হয়, তেনেহ'লে সিদ্ধান্ত _____ হ'ব।

(খালী ঠাই পূৰণ কৰা)

*(k)* Is truth table method a decision procedure?

সত্যতা তালিকা পদ্ধতি এটা সৈদ্ধান্তিক পদ্ধতি হয়নে?

*(l)* In obversion, there is a change in the quality / quantity / both quality and quantity between premise and conclusion.

(Find out the correct answer)

প্ৰতিবৰ্তনত আশ্ৰয়বচন আৰু সিদ্ধান্তৰ মাজত গুণৰ পৰিৱৰ্তন / পৰিমাণৰ পৰিৱৰ্তন / গুণ আৰু পৰিমাণৰ উভয়ৰে পৰিৱৰ্তন হয়।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

*(m)* Mention one important relation between symbolic logic and traditional logic.

প্ৰতীকাত্মক তৰ্কবিজ্ঞান আৰু পৰম্পৰাগত তৰ্কবিজ্ঞানৰ মাজত থকা এটা গুৰুত্বপূৰ্ণ সম্বন্ধ উল্লেখ কৰা।

*(n)* 'BOCARDO' is a valid mood of the _____ figure.

(Fill up the blank)

'BOCARDO' _____ সংস্থানৰ এটা বৈধ মূৰ্তি।

(খালী ঠাই পূৰণ কৰা)

*(o)* Who is the father of Logic?

তৰ্কবিজ্ঞানৰ জনক কোন?





**2.** Answer briefly (any *five*) : 2×5=10

চমুকৈ উত্তৰ দিয়া (যি কোনো পাঁচটা) :

*(a)* Mention two characteristics of argument.

যুক্তিৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

*(b)* State two differences between proposition and argument.

বচন আৰু যুক্তিৰ মাজত থকা দুটা পাৰ্থক্য লিখা।

*(c)* Are A, E, I, O propositions categorical or conditional? Which term is distributed in a negative proposition?

A, E, I, O বচনবোৰ নিৰপেক্ষ নে সাপেক্ষ? নঞৰ্থক বচনত কি পদ ব্যাপ্ত?

*(d)* Define one-predicate proposition with example.

এক বিধেয়যুক্ত বচনৰ উদাহৰণসহ সংজ্ঞা দিয়া।

*(e)* Name the authors of *Principia Mathematica*.

*Principia Mathematica* গ্ৰন্থখনৰ লেখক কোন?

*(f)* Define immediate inference with example.

উদাহৰণসহ অমাধ্যম অনুমানৰ সংজ্ঞা দিয়া।

*(g)* "He gave me a nice present in my birthday." Find out the 'referent' and 'relatum' of this proposition.

"তেওঁ মোৰ জন্মদিনত এটা সুন্দৰ উপহাৰ দিছিল।" এই বচনটোৰ 'নিৰ্দেশক' আৰু 'সম্বন্ধী' বাছি উলিওৱা।

*(h)* What is the fallacy of undistributed middle?

অব্যাপ্ত হেতুপদ দোষ কাক বোলে?

**3.** Answer the following questions (any *four*) : 5×4=20

নিম্নলিখিত প্ৰশ্নবোৰৰ উত্তৰ দিয়া (যি কোনো চাৰিটা) :

*(a)* Write a short note on (any *one*) : 5

চমু টোকা লিখা (যি কোনো এটা) :

*(i)* Truth and validity

সত্যতা আৰু বৈধতা

*(ii)* Square of opposition of proposition

বচনৰ বিৰোধ সম্বন্ধৰ বৰ্গক্ষেত্ৰ

*(b)* What is symbol? State four utilities of using symbols in logic. 1+4=5

প্ৰতীক কি? তৰ্কবিজ্ঞানত প্ৰতীক ব্যৱহাৰৰ চাৰিটা উপযোগিতা উল্লেখ কৰা।





*(c)* Transform the following sentences into their logical form of propositions : 1×5=5

তলত দিয়া বাক্যবোৰ তৰ্কবিজ্ঞানসম্মত বচনলৈ পৰিৱৰ্তন কৰা :

*(i)* All that glitters are not gold.

সকলো চক্‌চকীয়া বস্তু সোণ নহয়।

*(ii)* Every man is liable to error.

প্ৰতিজন মানুহেই ভুল কৰে।

*(iii)* Lions never eat grass.

সিংহই কেতিয়াও ঘাঁহ নাখায়।

*(iv)* Almost all people are present in the meeting.

প্ৰায় সকলো মানুহেই সভাখনত উপস্থিত আছিল।

*(v)* Only intelligent students can pass the examination.

কেৱল বুদ্ধিমান ছাত্ৰবোৰেহে পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰে।

*(d)* What is simple proposition? State different types of simple proposition. 1+4=5

সৰল বচন কাক বোলে? সৰল বচনৰ বিভিন্ন প্ৰকাৰসমূহ কি কি, উল্লেখ কৰা।

*(e)* What is logical constant? State differences between logical constant and logical variable. 2+3=5

তৰ্কীয় অবিকাৰী কাক বোলে? তৰ্কীয় অবিকাৰী আৰু তৰ্কীয় চলৰ মাজত থকা পাৰ্থক্য লিখা।

*(f)* What is conversion? Make converse of the following propositions : 2+3=5

সমবৰ্তন কাক বোলে? তলত উল্লিখিত বচনকেইটাৰ সমবৰ্তন কৰা :

*(i)* All men are mortal.

সকলো মানুষ হয় মৰণশীল।

*(ii)* No men is perfect.

কোনো মানুহ নহয় পূৰ্ণ।

*(iii)* Some men are honest.

কিছুমান মানুহ হয় সাধু।

*(g)* State the general rules of syllogism. 5

ন্যায়ৰ সাধাৰণ নিয়মাৱলী উল্লেখ কৰা।

*(h)* Explain four-fold scheme of proposition. 5

বচনৰ চতুৰ্বৰ্গীয় শ্ৰেণীবিভাগ ব্যাখ্যা কৰা।





**4.** Answer the following questions (any *four*) : 10×4=40

নিম্নলিখিত প্ৰশ্নবোৰৰ উত্তৰ দিয়া (যি কোনো চাৰিটা) :

*(a)* Define syllogism and explain its characteristics. 2+8=10

ন্যায়ৰ সংজ্ঞা দিয়া আৰু ইয়াৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।

*(b)* What is figure of syllogism? Explain different figures of syllogism with examples. 2+8=10

ন্যায়ৰ সংস্থান বুলিলে কি বুজা? উদাহৰণসহ ন্যায়ৰ বিভিন্ন সংস্থানসমূহ ব্যাখ্যা কৰা।

*(c)* Define a proposition, according to the modern logicians. Describe different kinds of compound proposition with examples. 2+8=10

আধুনিক তৰ্কবিদ্‌সকলৰ মতে, বচনৰ সংজ্ঞা লিখা। উপযুক্ত উদাহৰণেৰে সৈতে বিভিন্ন প্ৰকাৰৰ যৌগিক বচন বৰ্ণনা কৰা।

*(d)* What is obversion? Explain the rules of obversion. 2+8=10

প্ৰতিবৰ্তন কাক বোলে? প্ৰতিবৰ্তনৰ নিয়মসমূহ ব্যাখ্যা কৰা।

*(e)* What is symbolic logic? Discuss the characteristics of symbolic logic. 4+6=10

প্ৰতীকাত্মক তৰ্কবিজ্ঞান কি? প্ৰতীকাত্মক তৰ্কবিজ্ঞানৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

*(f)* Explain differences between traditional logic and symbolic logic. 10

পৰম্পৰাগত তৰ্কবিজ্ঞান আৰু প্ৰতীকাত্মক তৰ্কবিজ্ঞানৰ মাজত পাৰ্থক্য ব্যাখ্যা কৰা।

*(g)* Explain the process of the application of indirect truth table method with examples. 10

উদাহৰণৰ সহায়ত পৰোক্ষ সত্যতা তালিকা পদ্ধতি প্ৰয়োগ সম্পৰ্কে ব্যাখ্যা কৰা।

*(h)* Construct truth table for the following and determine the truth value of each : 5+5=10

তলত দিয়াবোৰৰ সত্যতা তালিকা গঠন কৰা আৰু প্ৰত্যেকৰে সত্যমূল্য নিৰ্ণয় কৰা :

*(i)* $[(p \supset q) \supset p] \supset q$

*(ii)* $(p \cdot q) \vee \sim (p \vee q)$





*(i)* Symbolize the following with the help of logical symbols as used in propositional logic : 2×5=10

বচনাত্মক তৰ্কবিজ্ঞানত ব্যৱহাৰ হোৱা তৰ্কীয় প্ৰতীকৰ সহায়ত তলত দিয়াবোৰৰ প্ৰতীকাত্মক ৰূপ দিয়া :

*(i)* 'But' is truth functional, while 'because' is not truth functional.

'কিন্তু' সত্যফলনযুক্ত, অন্যহাতে 'কিয়নো' সত্যফলনযুক্ত নহয়।

*(ii)* It is false that Lovlina Borgohain is not an Indian boxer.

এইটো অসত্য যে লাভলিনা বৰগোহাঁই এগৰাকী ভাৰতীয় বক্সাৰ নহয়।

*(iii)* You will pass in the examination if and only if you work hard.

তুমি পৰীক্ষাত পাছ কৰিবা যদি আৰু যদিহে তুমি কষ্ট কৰা।

*(iv)* It is untrue that students are not intelligent.

এইটো অসত্য যে ছাত্ৰসকল বুধিয়ক নহয়।

*(v)* If it does not rain, then we shall go for shopping.

যদি বৰষুণ নিদিয়ে, তেন্তে আমি বজাৰ কৰিবলৈ যাম।

*(j)* Elaborate the differences between deduction and induction. 10

নিগমন আৰু আগমনৰ মাজত থকা পাৰ্থক্যবোৰ বহলাই লিখা।

★★★